# পাতনি

মানুহৰ প্ৰেমিক বিষ্ণু ৰাভাই কেৱল সাহিত্য আৰু সংস্কৃতিৰ পাততে নিজৰ প্ৰতিভা আৰু জীৱনৰ উদ্দেশ্যক সামৰি থোৱা নাছিল। খাটি খোৱা জনতাৰ প্ৰাপ্য অধিকাৰ প্ৰাপ্তিৰ বাবে পৈত্ৰিকসূত্ৰে পোৱা সকলো লাহ-বিলাহ ত্যাগি তেওঁ ৰাজপথলৈ ওলাই আহিছিল। ৰ'দে-বৰষুণে, ভোকে-পিয়াহে গাঁৱে গাঁৱে ঘূৰি জনতাক সামাজিক আৰু ৰাজনৈতিকভাৱে সচেতন কৰি তোলাত ৰাভাই অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। সময়ৰ সোঁত আৰু বিস্তৃত অধ্যয়নে তেওঁক মাৰ্ক্সবাদৰ দিশে প্ৰভাৱান্বিত কৰিলে। এই প্ৰভাৱৰ ফলতে পৰৱৰ্তী সময়ত তেওঁৰ সমগ্ৰ জীৱন আৰু সাহিত্যতে মাৰ্ক্সবাদৰ বিপুল দৰ্শন লক্ষ্য কৰা যায়। ৰাভাৰ সাহিত্য সমগ্ৰত অন্যান্য দিশসমূহৰ আলোচনা যিদৰে পৰিব্যপ্ত হৈছে, সেইদৰে তেওঁৰ জীৱন আৰু সাহিত্যত মাৰ্ক্সবাদী দৰ্শন সম্পৰ্কে কিন্তু বৰ বিশেষ অধ্যয়ন পৰিলক্ষিত হোৱা নাই, অথচ জীৱনৰ পৈনত স্তৰত মাৰ্ক্সবাদেই হৈ পৰিছিল তেওঁৰ জীৱন ৰথৰ অন্যতম সত্তা। তত্ত্বাৱধায়কৰ নিৰ্দেশ আৰু বিদ্যায়তনিক গৱেষণা পৰিষদৰ সদস্যসকলৰ পৰামৰ্শক্ৰমে সেয়েহে আমাৰ গৱেষণাৰ বিষয়টো **"বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্যসমগ্ৰত মাৰ্ক্সবাদী আদৰ্শ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন"** ঠিক কৰা হ'ল।

বিষ্ণুপ্ৰসাদ ৰাভাই অসমীয়া সাহিত্যৰ প্ৰায়বোৰ শাখাতেই হাত ফুৰাই গৈছে। তেওঁৰ বৃহৎসংখ্যক সাহিত্যত মাৰ্ক্সবাদী ভাৱধাৰাৰ প্ৰভাৱ পৰিছে। মাৰ্ক্সবাদী আদৰ্শ গ্ৰহণ কৰাৰ পিছত সেই আদৰ্শ জনগণৰ মাজত প্ৰচাৰ কৰিবৰ বাবে সাহিত্যক মাধ্যম হিচাপে লৈছিল। সৰ্বহাৰা শোষিত জনগণক বিপ্লৱমুখী কৰিবৰ বাবে ৰাভাই সাহিত্যক পন্থা হিচাপে লৈছিল। ৰাভাই প্ৰতিটো বিষয় গভীৰভাৱে যে অধ্যয়ন কৰিছিল তেওঁৰ ৰচনাসমূহৰ পৰাই বুজিব পোৱা যায়। ৰাভাৰ মাৰ্ক্সীয় ভাৱাদৰ্শৰ প্ৰভাৱ পৰা ৰচনাসমূহৰ জৰিয়তে তেওঁ সমাজতান্ত্ৰিক সমাজ গঢ়াৰ লগতে সমাজত চলি থকা পুঁজিপতি ধনী মহাজন-জমিদাৰ শ্ৰেণীৰ শোষণৰ বিৰুদ্ধে বিপ্লৱ কৰা, সমাজৰ ভেদাভেদবোৰ আঁতৰাই এখন সাম্যসমাজ প্ৰতিষ্ঠা কৰাৰ সপোন দেখিছিল।

ৰাভাৰ সাহিত্যৰ অধ্যয়নৰ ওপৰত ভিত্তি কৰি যিসমূহ ৰচনাত মাৰ্ক্সবাদী দৰ্শন প্ৰকাশিত হৈছে সেইসমূহ সাহিত্যক আলোচনাৰ সম্পূৰ্ণ আওতাত ধৰা হৈছে। **'বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্যসমগ্ৰত মাৰ্ক্সবাদী আদৰ্শ'** সম্পৰ্কে আমাৰ এই অধ্যয়নেই শেষ নহয়। গৱেষণাৰ নিৰ্দিষ্ট

গণ্ডীৰ মাজত থাকিহে আমাৰ বিষয় সম্পৰ্কে প্ৰণালীবদ্ধভাৱে আলোচনা আগবঢ়াবলৈ অহোপুৰুষাৰ্থ কৰিছোঁ। আমাৰ সীমিত জ্ঞানৰ জৰিয়তে সম্ভৱ হোৱা ৰাভাৰ সাহিত্য সমগ্ৰত মাৰ্ক্সবাদী আদৰ্শৰ ৰূপৰেখা অংকন কৰাৰ চেষ্টা কৰিছোঁ। এই বিষয়ে হয়তো আৰু অনেক তথ্যৰ বিশ্লেষণ ওলাব। আমি মাথো বাটটোহে মুকলি কৰি দিবলৈ প্ৰযত্ন কৰিছোঁ। আশা কৰোঁ আমাৰ এই অধ্যয়নে ভৱিষ্যতৰ অনুসন্ধিৎসু গৱেষক আৰু আগ্ৰহী ব্যক্তিসকলক অধ্যয়নৰ বাবে নতুন চিন্তাৰ উন্মেষ ঘটাব। আমাৰ আলোচনাই যদি বৌদ্ধিক জগতক উপকৃত কৰিব পাৰে তেনেহ'লে আমাৰ এই শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম। গৱেষণা গ্ৰন্থখনি যুগুত কৰোঁতে অজানিতে ৰৈ যোৱা ভুল-ত্ৰুটিবোৰ সুধীসমাজে আঙুলিয়াই দেখুৱালে কৃতাৰ্থ হ'ম।

গোবিন্দ বৈশ্য

**(গোবিন্দ বৈশ্য)**